# আমাৰ পৰিৱেশ-১

## প্ৰথম শ্ৰেণী




গ্ৰহিলচ্

# আমাৰ পৰিৱেশ-১

## প্ৰথম শ্ৰেণী



গ্ৰহিলচ্

# আমাৰ পৰিবেশ-১

## প্ৰথম শ্ৰেণী

### গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**AMAR PARIBESH-I A TEXT BOOK ON ENVIRONMENTAL STUDY FOR CLASS-I** composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying, recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

**First Publication: September, 2016**

**Price : Rs .............. /-**

**Published by**
**Growhills PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

১

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত অসমৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰুহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰুহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰুহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ, গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোঁতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিবেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি দৃষ্টি ৰখা হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰণয়ন কৰা 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

২

**আমাৰ পৰিবেশ-১** পুথিখন প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথি হিচাপে প্ৰণয়ন কৰা হৈছে। প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাজ্ঞান নাথাকে বুলি ক'ব পাৰি। সেয়ে পুথিখনত পৰিবেশৰ বিষয়ে কোনো বিস্তৃত আলোচনা কৰা হোৱা নাই। ছবিৰ জৰিয়তে পৰিবেশৰ কেইটামান প্ৰধান উপাদানৰ বিষয়ে ধাৰণা দিবলৈহে চেষ্টা কৰা হৈছে। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ ভালদৰে লক্ষ্য কৰিবলৈ দিব। ছবিবোৰ চিনাক্তকৰণ কৰা, সিহঁতৰ কাৰ্যাৱলী, মানুহৰ লগত সিহঁতৰ সম্পৰ্ক, উপকাৰ, অপকাৰ আদিৰ বিষয়ে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ উদাহৰণ আৰু শিক্ষণ সঁজুলিৰ সহায়ত বুজাই দিব। পাঠ বুজাওঁতে শিক্ষাৰ্থীয়ে যাতে যথেষ্ট প্ৰশ্ন কৰিবলৈ সুযোগ পায় শিক্ষকে তালৈ চকু ৰাখিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**চেপ্তেম্বৰ, ২০১৬**

**প্ৰকাশক**
**গ্ৰুহিলচ্ পাব্লিশ্বিং**

# সূচীপত্ৰ



| পাঠ নং | পাঠ শিৰোনামা | পৃষ্ঠা |
|---|---|---|
| পাঠ -১ | জোন, বেলি, তৰা, ডাৱৰ আদি | /৫ |
| পাঠ-২ | গছ-গছনি | /২ |
| পাঠ -৩ | জীৱ-জন্তু | /৯ |
| পাঠ-৪ | চৰাই-চিৰিকতি | /১১ |
| পাঠ-৫ | ফল-মূল | /১৩ |
| পাঠ-৬ | শাক-পাচলি | /১৫ |
| পাঠ-৭ | বিভিন্ন ধৰণৰ ফুল | /১৭ |
| পাঠ-৮ | বিভিন্ন ধৰণৰ ঘৰ | /১৯ |
| পাঠ-৯ | যান-বাহন | /২১ |
| পাঠ-১০ | আচবাব পত্ৰ | /২৩ |
| পাঠ-১১ | কাঁহি-বাটি ইত্যাদি | /২৫ |
| পাঠ-১২ | ঘৰুৱা সা-সঁজুলি | /২৭ |
| পাঠ -১৩ | সাজ-পোছাক | /২৯ |
| পাঠ -১৪ | পৰিবেশ কি | /৩১ |


## পাঠ- ১


# জোন, বেলি, তৰা, ডাৱৰ আদি

তলত কিছুমান প্ৰাকৃতিক বস্তু যেনে ঃ জোন, বেলি, তৰা, ডাৱৰ আদিৰ ছবি দিয়া হ'ল। ছবিবোৰ চিনাক্ত কৰা আৰু এইবোৰৰ কাৰ্য সম্পৰ্কে ভাবা।









## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধ বানানসহ উচ্চাৰণ কৰিবলৈ শিকাব।

দ্বিতীয়তে, প্ৰাকৃতিক বস্তু কাক কয় সেই ধাৰণা দি ছবিত দিয়া বস্তুবোৰে কি কাম কৰে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ অভিজ্ঞতাৰ পৰা ক'বলৈ দিব। পিছত শিক্ষকে বহল ভিত্তিত আলোচনা কৰিব।

তৃতীয়তে, ছবিত দিয়া বস্তুবোৰে মানুহক কিদৰে উপকাৰ কৰে বা অপকাৰ কৰে সেই সম্পৰ্কে বুজাই ক'ব।

## অনুশীলনী

১। প্ৰাকৃতিক বস্তু কাক কয়?

২। তুমি সততে দেখা পোৱা পাঁচটা প্ৰাকৃতিক বস্তুৰ নাম লিখা।







৩। বৰষুণৰ পৰা আমাৰ কি উপকাৰ হয় তোমাৰ শ্ৰেণীবন্ধুসকলৰ লগত আলোচনা কৰা।

**শিক্ষকলৈ টোকা ঃ** আলোচনাৰ জৰিয়তে পাঠবোৰ বুজোৱাৰ ওপৰত গুৰুত্ব দিব। কোনো পাঠ বুজাই থকাৰ মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলক সেই সম্পৰ্কে প্ৰশ্ন কৰিব আৰু প্ৰশ্নৰ উত্তৰ মৌখিকভাৱে দিবলৈ ক'ব। মুখস্থ কৰাৰ ওপৰত জোৰ নিদিব।

পাঠ- ২

# গছ-গছনি

তলত কিছুমান গছ-গছনিৰ ছবি দিয়া হ'ল। ছবিবোৰ চিনাক্ত কৰা আৰু গছ-গছনিয়ে আমাক কিদৰে উপকাৰ কৰে সেই বিষয়ে ভাবা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধ বানানসহ উচ্চাৰণ কৰিবলৈ শিকাব।

দ্বিতীয়তে, উদ্ভিদ আৰু গছ-গছনি কাক কয় সেই ধাৰণা দি বিভিন্ন ধৰণৰ গছ-গছনিৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, গছ-গছনিয়ে মানুহক কিদৰে উপকাৰ কৰে বা অপকাৰ কৰে সেই সম্পৰ্কে বুজাই ক'ব।

## অনুশীলনী

১। উদ্ভিদ কাক কয়? গছ-গছনিবোৰ উদ্ভিদ হয় নে?













২। তুমি সততে দেখা পোৱা দহবিধ গছৰ নাম লিখা।

৩। গছ-গছনিয়ে আমাক কিদৰে উপকাৰ কৰে তোমাৰ শ্ৰেণী বন্ধুসকলৰ লগত আলোচনা কৰা।

## পাঠ- ৩

# জীৱ-জন্তু

তলত কিছুমান জীৱ-জন্তুৰ ছবি দিয়া হ'ল। ছবি চাই এইবোৰ চিনাক্ত কৰা । জীৱ-জন্তুবোৰ আমাৰ দৈনন্দিন জীৱনৰ লগত কেনেদৰে জড়িত হৈ আছে সেই বিষয়ে চিন্তা কৰা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধ বানানসহ উচ্চাৰণ কৰিবলৈ শিকাব।

দ্বিতীয়তে, বিভিন্ন শ্ৰেণীৰ আৰু প্ৰকৃতিৰ জীৱ-জন্তুৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, জীৱ-জন্তুৱে আমাক কিদৰে উপকাৰ কৰে সেই সম্পৰ্কে বুজাই ক'ব।

## অনুশীলনী

১। জন্তু কাক কয়?













২। পাঁচবিধ ঘৰচীয়া জন্তু আৰু পাঁচবিধ বনৰীয়া জন্তুৰ নাম লিখা।

৩। জীৱ-জন্তুৰ দ্বাৰা আমি কিদৰে উপকৃত হওঁ আলোচনা কৰা।

## পাঠ- ৪

# চৰাই-চিৰিকতি

তলত কিছুমান চৰাইৰ ছবি দিয়া হ'ল। চৰাইবোৰ চিনাক্ত কৰা। চৰাইবোৰৰ দ্বাৰা হোৱা আমাৰ উপকাৰ আৰু অপকাৰৰ বিষয়ে ভাবা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধ বানানসহ উচ্চাৰণ কৰিবলৈ শিকাব।

দ্বিতীয়তে, চৰাই কাক কয় আৰু বিভিন্ন শ্ৰেণীৰ আৰু প্ৰকৃতিৰ চৰাইৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, চৰাই-চিৰিকতিয়ে আমাক কিদৰে উপকাৰ কৰে সেই সম্পৰ্কে বুজাই ক'ব।

## অনুশীলনী

১। চৰাই কাক কয়?





২। দহবিধ চৰাইৰ নাম লিখা।





৩। চৰাইয়ে আমাক কিদৰে উপকাৰ কৰে সেই বিষয়ে শ্ৰেণীবন্ধুসকলৰ লগত আলোচনা কৰা।

## পাঠ- ৫

# ফল-মূল

তলত কিছুমান ফল-মূলৰ ছবি দিয়া হ'ল। এইবোৰ চিনাক্ত কৰা। ফলমূলৰ দ্বাৰা আমাৰ কি উপকাৰ হয় ভাৱি উলিওৱা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধ বানানসহ উচ্চাৰণ কৰিবলৈ শিকাব।

দ্বিতীয়তে, ফল-মূল কাক কয় আৰু বিভিন্ন ধৰণৰ ফল-মূল আদিৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, ফল-মূলৰ পৰা আমি কি কি উপকাৰ পাওঁ সেই বিষয়ে আলোচনা কৰিব।

## অনুশীলনী

১। ফল-মূল কাক কয়?


২। দহবিধ ফল-মূলৰ নাম লিখা।

৩। ফল-মূল নাথাকিলে আমাৰ কিবা অসুবিধা হ'লহেতেঁন নে? আলোচনা কৰা।

## পাঠ- ৬

# শাক-পাচলি

তলত কিছুমান শাক-পাচলিৰ ছবি দিয়া হ'ল। এইবোৰ চিনাক্ত কৰা। শাক-পাচলিৰে আমি কি কৰোঁ সেই বিষয়ে ভাবা।



## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। সেইবোৰৰ নাম শুদ্ধকৈ লিখিবলৈ শিকাব।

দ্বিতীয়তে, শাক-পাচলি কাক কয় আৰু শাক-পাচলিৰ প্ৰকাৰৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, শাক-পাচলিয়ে আমাক কেনেদৰে উপকাৰ কৰি আছে সেই সম্পৰ্কে বুজাই ক'ব।

## অনুশীলনী




১। দহবিধ শাক-পাচলিৰ নাম লিখা।




২। শাক-পাচলি নাথাকিলে আমাৰ কি অসুবিধা হ'লহেঁতেন তোমাৰ বন্ধুসকলৰ লগত আলোচনা কৰা।


# পাঠ- ৭

# বিভিন্ন ধৰণৰ ফুল

তলত কিছুমান ফুলৰ ছবি দিয়া হ'ল। ফুলবোৰ চিনাক্ত কৰা। ফুল আমি কি কি কামত ব্যৱহাৰ কৰো সেই বিষয়ে ভাবা।



## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, বিভিন্ন ধৰণৰ ফুল যেনে ঃ গোন্ধ থকা ফুল, গোন্ধ নথকা ফুল, ৰাতি ফুলা ফুল, বগা ফুল আদিৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, ফুল আমি কি কি কামত ব্যৱহাৰ কৰোঁ আদিৰ বিষয়ে বুজাই ক'ব।

## অনুশীলনী

১। দহবিধ ফুলৰ নাম লিখা।


২। পাঁচবিধ ৰঙা ফুলৰ নাম লিখা।


৩। তোমাৰ ঘৰত ফুলৰ বাগিছা আছে নে? যদি আছে তাত কি কি ফুলৰ গছ আছে, সেইবোৰৰ নাম লিখা। যদি নাই তেন্তে তোমাৰ কেনোবা বন্ধুৰ ঘৰত থকা ফুলৰ বাগিছা দৰ্শন কৰা।


পাঠ- ৮


# বিভিন্ন ধৰণৰ ঘৰ


তলত বিভিন্ন ধৰণৰ কিছুমান ঘৰৰ ছবি দিয়া হ'ল। কোন ঘৰক কি ঘৰ বোলে কোৱা। ঘৰ আমাৰ বাবে কিমান প্ৰয়োজন সেই বিষয়ে ভাবা।














## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, বিভিন্ন অঞ্চলত থকা বিভিন্ন ধৰণৰ ঘৰৰ বিষয়ে আলোচনা কৰিব। ছবিত থকা আৰ্হি ঘৰবোৰৰ বাহিৰেও অন্যান্য ঘৰৰ আৰ্হি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাব পাৰে।

তৃতীয়তে, আমাৰ বাবে ঘৰ কিমান প্ৰয়োজনীয় সেই বিষয়ে বুজাই ক'ব।

## অনুশীলনী

১। পাঁচ প্ৰকাৰৰ ঘৰৰ নাম লিখা।












২। তোমাৰ অঞ্চলত কোন শ্ৰেণীৰ ঘৰ বেছিকৈ দেখা যায়? সেইবোৰ কিহেৰে নিৰ্মিত? বৰ্ণনা কৰা।

৩। ঘৰ নাথাকিলে আমাৰ কি কি অসুবিধা হ'লহেঁতেন আলোচনা কৰা।

# পাঠ- ৯

# যান-বাহন

তলত কিছুমান যান-বাহনৰ ছবি দিয়া হ'ল। যান-বাহনবোৰ চিনাক্ত কৰা। যান-বাহনৰ উপকাৰৰ বিষয়ে ভাবা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, বিভিন্ন ধৰণৰ আৰু বিভিন্ন অঞ্চলত চলা যান-বানহৰ বিষয়ে আলোচনা কৰিব।

তৃতীয়তে, যান-বাহনৰ পৰা হোৱা আমাৰ উপকাৰ আৰু অপকাৰৰ বিষয়ে বুজাই ক'ব।

## অনুশীলনী

১। দহ প্ৰকাৰৰ যান-বাহনৰ নাম লিখা।


২। তোমাৰ অঞ্চলত কোন শ্ৰেণীৰ যান-বাহন বেছিকৈ দেখা যায়? সেইবোৰৰ নাম লিখা।

৩। যান-বাহন নাথাকিলে আমাৰ কি অসুবিধা হ'লহেঁতেন তোমাৰ বন্ধুৰ লগত আলোচনা কৰা।

# পাঠ- ১০

# আচবাব পত্ৰ

তলত কিছুমান আচবাব পত্ৰৰ ছবি দিয়া হ'ল। এইবোৰ চিনাক্ত কৰা। আচবাব পত্ৰৰ সুবিধাৰ বিষয়ে ভাবা।



## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, বিভিন্ন ধৰণৰ আচবাব পত্ৰ যেনে ঃ কাঠৰ আচবাব পত্ৰ, বাহঁৰ আচবাব পত্ৰ, ষ্টিলৰ আচবাব আদিৰ বিষয়ে আলোচনা কৰিব। ছবিত দিয়া আচবাব পত্ৰৰ বাহিৰেও অন্যান্য আচবাব পত্ৰৰ কিছু আৰ্হি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাব পাৰে।

## অনুশীলনী

১। আচবাব পত্ৰ কাক কয়?




২। দহবিধ আচবাব পত্ৰৰ নাম লিখা।


৩। আচবাব পত্ৰ নাথাকিলে আমাৰ কি অসুবিধা হ'লহেঁতেন তোমাৰ সহপাঠীসকলৰ লগত আলোচনা কৰা।


## পাঠ- ১১





# কাঁহি-বাটি

তলত কিছুমান কাঁহি-বাটিৰ ছবি দিয়া হ'ল। ছবিবোৰ চিনাক্ত কৰা। এইবোৰৰ দ্বাৰা হোৱা আমাৰ উপকাৰৰ বিষয়ে ভাবা।





## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, বিভিন্ন ধৰণৰ কাঁহি-বাটি আৰু সিহঁতৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰিব।

## অনুশীলনী

১। কাঁহি-বাটি কাক কয়?




২। দহবিধ কাঁহি-বাটিৰ নাম লিখা।










৩। কাঁহি-বাটি নাথাকিলে আমাৰ কি অসুবিধা হ'লহেঁতেন আলোচনা কৰা।

# পাঠ- ১২

# ঘৰুৱা সা-সঁজুলি

আমি প্ৰতিদিন ঘৰত বহুত ধৰণৰ বস্তু ব্যৱহাৰ কৰোঁ। তাৰ কেইবিধমানৰ ছবি তলত দিয়া হ'ল। ছবি চাই বস্তুবোৰ চিনাক্ত কৰা আৰু শিক্ষকৰ সহায়ত এইবোৰৰ ব্যৱহাৰ জানি লোৱা।

## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব। দ্বিতীয়তে, বিভিন্ন ধৰণৰ সা-সঁজুলিৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰিব।

## অনুশীলনী

১। ঘৰুৱা সা-সঁজুলি বুলিলে কি বুজা?

২। দহবিধ ঘৰুৱা সা-সঁজুলিৰ নাম লিখা।

৩। ঘৰুৱা সা-সঁজুলি নোহোৱাকৈ আমি দৈনন্দিন জীৱন যাপন কৰিবলৈ আমাৰ কি কি অসুবিধা হ'ব পাৰে তোমাৰ বন্ধুসকলৰ লগত আলোচনা কৰা।

### পাঠ- ১৩

# সাজ-পোছাক

আমি নানা ধৰণৰ সাজ-পোছাক পৰিধান কৰোঁ। অঞ্চল আৰু সম্প্ৰদায় ভেদে সাজ-পোছাক ভিন ভিন হয়। তলত কিছুমান সাজ-পোছাকৰ ছবি দিয়া হ'ল। সাজ-পোছাকবোৰ চিনাক্ত কৰা।



## শিক্ষকৰ কাম ঃ

প্ৰথমতে, শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ছবিবোৰ চিনাক্ত কৰাত সহায় কৰিব।

দ্বিতীয়তে, অঞ্চলভেদে আৰু জাতি বা সম্প্ৰদায়ভেদে যে সাজ-পোছাক ভিন ভিন হয় সেই সম্পৰ্কে বহলভাৱে আলোচনা কৰিব।

## অনুশীলনী

১। সাজ-পোছাক বুলিলে কি বুজা?

২। দহবিধ সাজ-পোছাকৰ নাম লিখা।

৩। সাজ-পোছাক নাথাকিলে আমাৰ কিবা অসুবিধা হ'লহেতেঁন নে? আলোচনা কৰা।

পাঠ- ১৪

# পৰিবেশ কি

আগৰ পাঠবোৰত তোমালোকে ছবিৰ সহায়ত মানুহে প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে ব্যৱহাৰ কৰা বা মানুহৰ উপকাৰত অহা নানান বস্তুৰ বিষয়ে ধাৰণা পাই আহিছা। ইয়াৰ কিছুমান বস্তু প্ৰাকৃতিকভাৱে পাওঁ। যেনে ঃ ন'দ-নদী, জান-জুৰি, পাহাৰ-পৰ্বত, জোন, বেলি, সাগৰ, গছ-গছনি, বৰষুণ, পানী ইত্যাদি। আনহাতে ইয়াৰ কিছুমান বস্তু মানুহৰ সৃষ্টি। যেনে ঃ ঘৰ-বাৰী, গাড়ী-মটৰ, কল-কাৰখানা, ৰাস্তা-ঘাট, পোছাক-পৰিচ্ছদ, টেবুল, চিয়াৰ ইত্যাদি। এইবোৰ বস্তু প্ৰাকৃতিকভাৱে পোৱা বস্তুৰ সহায়ত মানুহে তৈয়াৰ কৰি লয়। আমি জীয়াই থাকিবলৈ এই দুয়োবিধ বস্তুৰ প্ৰয়োজন হয়। এইবোৰ নোহোৱাকৈ আমি জীয়াই থাকিব নোৱাৰো।

মানুহৰ লগতে প্ৰাকৃতিকভাৱে পোৱা বস্তু আৰু মানুহে তৈয়াৰ কৰা বস্তুৰ সামগ্ৰীক গোটকে পৰিবেশ বুলি কোৱা হয়। সহজ কথাত আমাৰ চাৰিওফালৰ অৱস্থাই আমাৰ পৰিবেশ। বহল অৰ্থত পৰিবেশে মানুহৰ লগতে মানুহৰ বাবে প্ৰয়োজনীয় বা মানুহে ব্যৱহাৰ কৰা সকলো বস্তুকে সামৰি লয়। মানুহ পৰিবেশৰ মাথো এক সামান্য অংশ বা অংগহে। মানৱ সমাজ পৰিবেশৰ অন্যান্য অংগৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। মানৱ সমাজৰ ওপৰত পৰিবেশৰ প্ৰভাৱ অনস্বীকাৰ্য। পৰিবেশৰ ক্ষতি হ'লে মানৱ সমাজৰো ক্ষতি হয়। আনহাতে পৰিবেশ উন্নত হ'লে মানুহৰ জীৱন ব্যৱস্থাও উন্নত হয়। সেয়ে মানৱ সমাজ সুন্দৰভাৱে জীয়াই থাকিবলৈ হ'লে মানুহে পৰিবেশকো সুন্দৰ কৰি ৰাখিব লাগিব।

## শিক্ষকৰ কাম ঃ

প্ৰথম শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাজ্ঞান প্ৰায় নাথাকেই। সেয়ে আগৰ পাঠবোৰত ছবিৰ সহায়ত পৰিবেশৰ কেইটামান উপাদানৰ লগত পৰিচয় কৰিবলৈ চেষ্টা কৰা হৈছে। এই শেষৰ অধ্যায়টো শিকাওতে শিক্ষকে আগৰ পাঠবোৰত ধাৰণা পাই অহা বিষয়বোৰৰ প্ৰসঙ্গ উল্লেখ কৰি পৰিবেশ কি সেয়া বুজাই দিব। মানৱ সমাজ যে সম্পূৰ্ণভাৱেই পৰিবেশৰ ওপৰত নিৰ্ভৰশীল সেয়া নানান বাস্তৱ উদাহৰণৰ দ্বাৰা বুজাই দিব যাতে স্কুলীয়া শিক্ষাৰ প্ৰাৰম্ভিক স্তৰৰ পৰাই ল'ৰা-ছোৱালীসকল পৰিবেশৰ প্ৰতি সচেতন হয়।

## অনুশীলনী

১। পৰিবেশ বুলিলে কি বুজা?

২। পৰিবেশৰ উপাদানবোৰক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰা হৈছে? ভাগ কেইটা কি কি?

৩। মানৱ সমাজ কেনেদৰে পৰিবেশৰ ওপৰত নিৰ্ভৰশীল তোমাৰ বন্ধু-বান্ধৱীসকলৰ লগত আলোচনা কৰা।